# 2020

( Held in 2021 )

# ASSAMESE

( Major )

Paper : 5.6

*Full Marks* : 42

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

## শাখা—ক

১। অতি চমুকৈ উত্তৰ দিয়া : ১×২=২

(ক) ভাষাৰ কোনটো বৰ্গীকৰণৰ মুখ্য আধাৰ ৰূপ ৰচনা আৰু বাক্য ৰচনা ?

(খ) শিৱসাগৰীয় উপভাষাৰ পূৰ্বে কোনটো উপভাষাই অসমৰ মান্যভাষাৰ মৰ্যাদা লাভ কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×২=৪

(ক) ভাৰতীয় আৰু ইৰাণীয় শাখাৰ ভাষাৰ মধ্যৱৰ্তী শাখাটোক কি নামেৰে জনা যায়? এই শাখাৰ অন্তৰ্গত প্ৰধান ভাষাটো কি ?

(খ) ভাষাৰ সংকীৰ্ণতম ৰূপ কি ? এনে ৰূপ গঠনৰ এটা কাৰণ উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অবৰ্গীকৃত ভাষা

(খ) সম্পৰ্ক ভাষা আৰু সমতুল্য ভাষা

(গ) মৰিশাস ক্ৰেওল

(ঘ) ছেমীয়-হেমীয় ভাষা পৰিয়াল

(ঙ) অযোগাত্মক ভাষা

## শাখা—খ

৪। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰা : ৭×৩=২১

(ক) তলত উল্লিখিত ক—অংশৰ ভাষাসমূহ খ—অংশৰ ভাষা পৰিয়ালকেইটাৰ অন্তৰ্ভুক্ত কৰি সজাই লিখা :

ক—অংশ : আৰবী ; অসমীয়া ; টুৰ্কী ; জৰ্জীয় ; বড়ো ; গ্ৰীক ; ফিন্নীয় ; বেবিলোনীয় ; কাৰ্বি ; তামিল ; খাচী।

খ—অংশ : উৰাল-আল্টাই ; ছেমীয়-হেমীয় ; চীন-তিব্বতীয় ; ককেছীয় ; ইণ্ডো-ইউৰোপীয় ; দ্ৰাবিড়ীয় ; অষ্ট্ৰিক।

(খ) 'ক' নামৰ ৰাজ্যখনত প্ৰচলিত 'প', 'ফ' আৰু 'ব' ভাষাসমূহৰ পৰা যি কোনো এটা ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা প্ৰদান কৰিবলৈ হ'লে কোনবোৰ দিশ বিবেচনা কৰিব লাগিব, বুজাই লিখা।

(গ) “এগৰাকী ব্যক্তিয়ে বৃত্তিগত বা সামাজিক মৰ্যাদা অনুসৰি একেটা ভাষাৰেই বিভিন্ন ৰূপত বাৰ্তালাপ কৰিবলগীয়া হয়।” কথাষাৰ বুজাই লিখা।

(ঘ) অন্বয়বী পৰিৱৰ্তন কথাষাৰে কি বুজায়? এনে পৰিৱৰ্তনৰ প্ৰধান কাৰণসমূহ উল্লেখ কৰা।

(ঙ) তলত উল্লিখিত ধ্বনি পৰিৱৰ্তনকেইটাৰ এটাকৈ উদাহৰণ দাঙি ধৰা :

স্বৰ সমীভৱন; ব্যঞ্জন বিষমীভৱন; আদি ব্যঞ্জনাগম; স্বৰভক্তি; অল্পপ্ৰাণীভৱন; স্বতঃ-অনুনাসিক্যীভৱন; মূৰ্ধন্যীভৱন।

★★★